৭.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়বোৰৰ যোগেদি জনসংখ্যা শিক্ষাৰ কাৰণবোৰ উন্নীতকৰণ কৰিবৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগে গ্রহণ কৰা পদক্ষেপ তিনিটা হ'ল—

- বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়বেৰে প্রয়োগ কৰিবৰ বাবে জনসংখ্যাৰ বিভিন্ন বিষয়ৰ ১৫টা বক্তৃতাৰ শিতানৰ প্রচাৰ কৰা।
- ভিত্তিমূলক আৰু প্রায়োগিক বিষয়বোৰৰ ক্ষেত্রত স্নাতক পর্যায়ত পাঠ্যক্রমৰ সংস্কাৰ সাধন কৰি জনসংখ্যা শিক্ষাৰ আচনিৰ অন্তর্ভুক্তিকৰণ।
- স্নাতকোত্তৰ পর্যায়ত জনসংখ্যা শিক্ষা শক্তিশালীকৰণ আৰু ইয়াৰ সাধাৰণ বিকাশৰ কার্যসূচীত বিশ্ববিদ্যালয় অনুদান আয়োগৰ সহায়ৰ ব্যৱস্থাকৰণ।

২ নং প্রশ্নৰ উত্তৰ ঃ বিশ্ববিদ্যালয় পর্যায়ত জনসংখ্যা শিক্ষাৰ দুটা উদ্দেশ্য হ'ল—

- জনসংখ্যা শিক্ষা ক্লাব, জনসংখ্যা শিক্ষাৰ কোষ আৰু জনসংখ্যা শিক্ষা গৱেষণা কেন্দ্র স্থাপনৰ যোগে জনসংখ্যা বিষয়ক বিশ্ববিদ্যালয়ৰ ওচৰ চপাই অনা আৰু জনসংখ্যা শিক্ষা সম্বন্ধীয় বিষয়বোৰৰ উপযুক্ত সমাধান প্রদান কৰা।
- শিক্ষাদান, গৱেষণা পাঠ্যক্রম আৰু প্রশিক্ষণৰ বিভিন্ন দিশৰ লগত জড়িত অর্থপূর্ণ ভূমিকা আৰু বিশেষ দায়িত্ব পালন কৰিব পৰা সংবেদনশীল আৰু গুণগত মানৰ সম্পদ উদযাপন কৰা আৰু লিংগ সমতা, নিৰপেক্ষতা, সমাজবাদ আৰু গণতন্ত্রৰ মূল্যবোধবোৰৰ প্রত্যাহ্বান গ্রহণ কৰা।

৩ নং প্রশ্নৰ উত্তৰ ঃ উচ্চ শিক্ষাৰ পর্যায়ত জনসংখ্যা শিক্ষাৰ পাঠ্যক্রমৰ গুৰুত্ব দুটা দিশ হ'ল—

- ভাল শিক্ষকৰ বাবে নির্ণায়ক ঃ পাঠ্যক্রমৰ যোগেদি জানিব পৰা যায় যে উচ্চ শিক্ষাৰ পর্যায়ত এইবোৰ নতুন বিষয়ৰ শিক্ষাদানৰ বাবে কেনে ধৰণৰ শিক্ষকৰ প্রয়োজন হয়। পাঠ্যক্রমৰ প্রয়োজনীয়তা অনুসৰি শিক্ষকে কেনে ধৰণৰ কার্য সম্পাদন কৰিব লাগে সেই বিষয়ে জানিব পৰা যায়।
- উপযুক্ত পদ্ধতিৰ নির্বাচন ঃ উচ্চ শিক্ষাৰ পর্যায়ৰ জনসংখ্যা শিক্ষাৰ পাঠ্যক্রম শিক্ষকক উপযুক্ত শিক্ষাদান পদ্ধতি নির্বাচনৰ বাবে সহায় কৰে। 'কি শিকাব লাগে' সেয়া 'কেনেকৈ শিকাব লাগে'ৰ যোগেদি নির্ধাৰণ কৰা হয়।

৪ নং প্রশ্নৰ উত্তৰ ঃ উচ্চ শিক্ষা পর্যায়ত যৌন শিক্ষাৰ বিষয়বস্তুবোৰ হ'ল—

- যৌন শিক্ষাৰ ধাৰণা আৰু প্রকৃতি।
- যৌন শিক্ষাৰ প্রয়োজনীয়তা আৰু গুৰুত্ব।
- যৌন শিক্ষাৰ উদ্দেশ্য আৰু পদ্ধতি।
- যৌন শিক্ষাৰ পৰিসৰ বা বিষয়বস্তু।



৭.১০ আৰ্হি প্ৰশ্ন

ক) অতি চমু প্ৰশ্ন

প্ৰশ্ন ১ ঃ পৰিয়াল পৰিকল্পনাৰ লগত জড়িত উচ্চ শিক্ষা পৰ্যায়ৰ জনসংখ্যা শিক্ষাৰ এটা বিষয়বস্তু উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ জীৱনৰ গুণমানৰ লগত জড়িত উচ্চ শিক্ষা পৰ্যায়ৰ জনসংখ্যা শিক্ষাৰ এটা বিষয়বস্তু উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ জনসংখ্যা গতিশীলতাৰ লগত জড়িত উচ্চ শিক্ষা পৰ্যায়ৰ জনসংখ্যা শিক্ষাৰ এটা বিষয়বস্তু উল্লেখ কৰক।

খ) চমু প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ উচ্চ শিক্ষা পৰ্যায়ত জনসংখ্যা শিক্ষাৰ পাঁচটা উদ্দেশ্য লিখক।

প্ৰশ্ন ২ ঃ উচ্চ শিক্ষা পৰ্যায়ত জনসংখ্যা শিক্ষাৰ গুৰুত্বৰ তিনিটা দিশ লিখক।

প্ৰশ্ন ৩ ঃ মৌলিক ধাৰণাৰ লগত সম্বন্ধিত জনসংখ্যা শিক্ষাৰ বিষয়বোৰ লিখক।

প্ৰশ্ন ৪ ঃ উচ্চ শিক্ষাৰ জনসংখ্যা শিক্ষাৰ পৰিপ্ৰেক্ষিতত জনসংখ্যা শিক্ষাৰ ৰাষ্ট্ৰীয় আলোচনা চক্ৰ (১৯৬৯)ৰ পৰামৰ্শবোৰ লিখক।

গ) দীঘল প্ৰশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ উচ্চ শিক্ষা জনসংখ্যা শিক্ষাৰ গুৰুত্ব বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ উচ্চ শিক্ষা পৰ্যায়ত জনসংখ্যা শিক্ষা পাঠ্যক্রমৰ বিভিন্ন বিষয়বোৰ বহলাই লিখক।

*** ***** ***